**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Time :** 0900 Hrs. **Date :** 13-1-2025

***Assamese Morning Bulletin***

**HEADLINES**

১। বাপতি সাহোন ভোগালী বিহুৰ আজি উৰুকা। ৰাজ্যপালৰ ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৰাক উপত্যকাত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আজি চেক বিতৰণ।

৩। প্ৰথম আৰু দ্বিতীয় বৰ্গৰ চাকৰিত চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। ঠিকাভিত্তিক টে'ট শিক্ষকৰ মৰগীয়া বানচৰ বকেয়া আদায় দিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ ।

**আৰু**

৫। ২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফি আজি গুৱাহাটীত উন্মোচন।

০০০০০০০০

অসমৰ বাপতি সাহোন ভোগালী বিহুৰ আজি উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ উদ্দীপনাৰে উৰুকাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। হেঁপাহৰ ভোগালীৰ উচাহত অতিথি আপ্যায়নৰ বাবে অসমীয়া ৰাইজে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ভোগালী বিহু অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য ধৰোহৰ বুলি ৰাজ্যপালগৰাকীয়ে অসমবাসীলৈ আগবঢ়োৱা মন্তব্যত উল্লেখ কৰে।

-বাইট- (ৰাজ্যপাল)

গুৱাহাটী মহানগৰীৰ উজান বজাৰত উৰুকা উপলক্ষে মাছৰ বজাৰত আজি পুৱতি নিশাৰ পৰা ক্ৰেতাৰ ভিৰ পৰিলক্ষিত কৰা হয়। একেদৰে, মহানগৰীৰ কলংপাৰ, বেলতলা, বামুণীমৈদাম, গণেশগুৰিৰ দৰে অন্যান্য

বজাৰসমূহতো উৰুকাৰ লগভাতৰ যোগাৰ কৰিবলৈ ক্ৰেতা আৰু বিক্ৰেতাৰ বিপুল সমাগম হোৱা দেখিবলৈ পোৱা যায়।

ডিব্ৰুগড় জিলাতো ভোগালী বিহুৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত মেজি আৰু ভেলাঘৰ সাজি ভোজভাত খোৱাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ বাণীপুৰত ৰংঘৰৰ আৰ্হিত সজা ভেলাঘৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছে। জিলা প্ৰশাসনে উৰুকা আৰু মাঘ বিহু উপলক্ষে মাছ-মাংস,গাখীৰ-দৈকে ধৰি বিভিন্ন খাদ্য সামগ্ৰীৰ বজাৰমূল্য অতিৰিক্তভাৱে বৃদ্ধি নকৰিবলৈ বেপাৰীসকলৰ কাৰণে এখন নিৰ্দিষ্ট মূল্য তালিকা প্ৰকাশ কৰিছে।

কাছাৰ জিলাতো মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে উৎসাহ উদ্দীপনা হৈছে। জিলাখনৰ বিভিন্ন গাঁও আৰু চহৰ অঞ্চলত সৃষ্টিশীল আৰ্হিত ভেলাঘৰ সাজি উলিওৱা হৈছে। পৰম্পৰাগত খাদ্য সম্ভাৰেৰে ভোগালীক আদৰিবলৈ কাছাৰ জিলাৰ ৰাইজ সাজু হৈছে।

হোজাই জিলাতো উৰুকা উপলক্ষে পুৱাৰেপৰা লংকাৰ মাছৰ বজাৰত ভিৰ পৰিলক্ষিত হৈছে। একেদৰে, উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ মাছৰ বজাৰত পুৱতি নিশাৰেপৰা উত্তৰ কামৰূপৰ বিভিন্ন প্ৰান্তৰ গ্ৰাহকৰ সমাগম হৈছে।

গোৱালপাৰা আৰু ধুবুৰী জিলাতো বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে উলহ মালহেৰে উৰুকা পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

হোজাই জিলাৰ মীন বিভাগে আজি উৰুকা উপলক্ষে বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে। জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথে এই বিষয়ে উল্লেখ কৰি মাছৰ বজাৰত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ নিৰ্দিষ্ট মূল্য বৰ্তাই ৰাখিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়।

ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীক উৎসাহ উদ্দীপনাৰ মাজতে পথ সুৰক্ষা সন্দৰ্ভত সতকৰ্তা বজাই ৰাখিবলৈ আহ্বান জনাই অসম চৰকাৰৰ পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে এইদৰে কয়-

**-বাইট-(গৌতম দাস)**

ৰাজ্যবাসীক এই সন্দৰ্ভত সজাগ কৰিবলৈ কামৰূপ মহানগৰ পথ সুৰক্ষা সমিতিৰ সৌজন্যত অসম চৰকাৰৰ পৰিবহন বিভাগৰ কামৰূপ জিলা কাৰ্যালয়ে উজান বজাৰৰ মাছৰ ঘাটৰ সমীপত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকাত উপস্থিত হ'ব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত কাছাৰ আৰু শ্ৰীভূমি জিলাত ড০ শৰ্মাই মহিলা হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত ১৪হাজাৰ ১৩৫গৰাকী মহিলাক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। কাছাৰ জিলাৰ শিলচৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ পৰিয়ালকো সাক্ষাৎ কৰিব। ইয়াৰ পাছত কাটিগৰা বিধানসভা সমষ্টিৰ ৰাজপুৰ খেলপথাৰত আৰু বৰখলা বিধানসভা সমষ্টিৰ শিলকুৰি খেলপথাৰত মুখ্যমন্ত্ৰীগৰাকীয়ে চেক প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

আমাৰ পুৱাৰ উজনি অসমৰ বাতৰিত এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনৰ পৰিয়ালৰ পৰিৱৰ্তে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনক সাক্ষাৎ কৰিব বুলি প্ৰকাশ পাইছিল। অনিচ্ছাকৃত এই ভুলৰ বাবে আমি শ্ৰোতাৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

০০০০০০০০

অসম চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্গৰ চাকৰিতো চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি গুৱাহাটীত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ সংৰক্ষিত পদত নিৰ্বাচিত ২৯৬ প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণৰ অন্তত ড০ শৰ্মাই এই কথা জানিবলৈ দিয়ে। চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱক-যুৱতীৰ বাবে ৩ শতাংশ সংৰক্ষণ ব্যৱস্থাৰ অধীনত দুমাহত এহেজাৰ প্ৰাৰ্থীক নিযুক্তি দিয়াটো সামাজিক পৰিৱৰ্তনৰ সূচনা কৰিব পৰা এটা পৰিঘটনা বুলি তেওঁ অভিহিত কৰে। চলিত বৰ্ষৰ পৰা তৃতীয় আৰু চতুৰ্থৰ দৰে প্ৰথম আৰু দ্বিতীয় বৰ্গতো একেই সংৰক্ষণৰ ব্যৱস্থা কৰি দণ্ডাধীশ, আৰক্ষী বিষয়া, অধ্যাপক আদি উচ্চস্তৰীয় পদত নিযুক্তিৰে জনগোষ্ঠীটোৰ আৰ্থসামাজিক দিশলৈ পৰিৱৰ্তন অনা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে জনায় যে প্ৰতিখন চিকিৎসালয় মহাবিদ্যালয়ত জনগোষ্ঠীটোৰ শিক্ষাৰ্থীৰ বাবে একোখনকৈ অতিৰিক্ত আসন সংৰক্ষণ কৰাৰ জৰিয়তে মুঠ সংৰক্ষিত আসনৰ সংখ্যা ১৪ লৈ বৃদ্ধি কৰা হৈছে। ৰাজ্যজুৰি চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ৪৪টা হোষ্টেলৰ নিৰ্মাণ আৰু ছহিদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত যুৱক-যুৱতীসকলক আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নৱনিযুক্ত প্ৰাৰ্থীসকলক শিপাৰ সৈতে সংপৃক্ত হৈ থাকি নিজৰ জনগোষ্ঠী আৰু পিতৃ-মাতৃৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধ হ'বলৈও আহ্বান জনায়।

**বাইট (চি এম)**

০০০০০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফি আজি গুৱাহাটীলৈ অনা হ'ব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে বিশ্বকাপৰ ট্ৰফিক আদৰণি জনোৱাৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। লোক কৃষ্টি সংস্কৃতিৰে ফুটবল বিশ্বকাপৰ ট্ৰফিক আদৰণি জনোৱা হ'ব। বিমানবন্দৰৰ পৰা ট্ৰফি পুৱা সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লি ৩ বজাত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিশা ৮ বাজি ১০ মিনিটত এই ট্ৰফি উন্মোচন কৰাৰ কথা। এই কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকিব। ৰাজ্য চৰকাৰে ট্ৰফি চোৱাৰ বাবে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে। লগতে আজি একেখন মঞ্চতে এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হৈছে, য'ত কেইবাগৰাকীও জনপ্ৰিয় শিল্পীয়ে অংশগ্ৰহণ কৰিব। গুৱাহাটী মহানগৰীৰ যান বাহন আৰক্ষীয়ে বৰ্ষাপাৰাত হ'বলগীয়া এই বিশেষ অনুষ্ঠানৰ বাবে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ঠিকাভিত্তিক টে'ট শিক্ষকৰ মৰগীয়া বানচৰ বকেয়া আদায় দিবলৈ নিৰ্দেশ দিছে। সদৌ অসম টে'ট উত্তীৰ্ণ সমাজে দাখিল কৰা গোচৰ এটাৰ শুনানিৰ অন্তত ন্যায়াধীশ ৰবীন ফুকনৰ আদালতে

২০১৯ চনৰ জুলাইৰ পৰা ২০২১ চনৰ ডিচেম্বৰলৈ ৫ শতাংশ মৰগীয়া বানচৰ বকেয়া আৰু ২০২১ৰ জুলাইৰ পৰা ২০২২ চনৰ আগষ্টলৈ ক্ৰমে ১১ আৰু ৩ শতাংশ মৰগীয়া বানচৰ বকেয়া আদায় দিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে শিক্ষকসকলৰ বাবে ২০১৯ চনৰ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ ৫ শতাংশ তথা ২০২১ৰ পহিলা জুলাইৰ পৰা ১১ শতাংশ আৰু ৩ শতাংশৰ লগতে ২০২২ চনৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ৩ শতাংশ মৰগীয়া বানচ আদায় দিছিল। এই বানচ তথা বকেয়া নিয়মীয়া শিক্ষকসকলে লাভ কৰিছিল যদিও ঠিকাভিত্তিক শিক্ষকসকলক ইয়াৰ পৰা বঞ্চিত কৰা হৈছিল, যাৰ বিৰুদ্ধে সদৌ অসম টে'ট উত্তীৰ্ণ সমাজে ন্যায়ালয়ৰ কাষ চাপিছিল।

oooooooo

২০২৬ বৰ্ষৰ বকুলবন বঁটা বিশিষ্ট লোকশিল্পী কাৰ্বি আংলঙৰ দিলী তেংৰাঙলৈ আগবঢ়োৱা হৈছে। বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতিত যোৰহাটৰ বকুলবন ন্যাসে প্ৰদান কৰা এই বঁটাৰে  অসমৰ কৃষ্টি-সংস্কৃতিৰ জগতলৈ বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তি বিশেষক সন্মান যঁচা হয়। অহা ৩১ জানুৱাৰীত অসম সাহিত্য সভাই ৰাধাকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব।

oooooooo

ডিব্ৰুগড় জিলাৰ মৰাণহাট আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্য বিৰোধী অভিযান চলাই কেইবাজনো সৰবৰাহকাৰীক গ্ৰেপ্তাৰ  কৰিবলৈ সমৰ্থ হৈছে। মৰাণহাটৰ জ্যোতিপুৰৰপৰা আৰক্ষীয়ে ৯জন সৰবৰাহকাৰীক বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে তদন্তকালত দুখন মটৰ চাইকেল আৰু দুখন ই-ৰিক্সাও জব্দ কৰে।

oooooooo

oooooooo

**দৈনিক জনমভূমি** আৰু **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মৰ্জে গুজৰাটত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলত যোগদান কৰি ৰেজাউল কৰিম চৰকাৰে শিৱসাগৰক ধুবুৰী আৰু ধুবুৰীক শিৱসাগৰলৈ পৰিৱৰ্তন কৰিম বুলি মন্তব্য কৰাক কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে বৰ অসম নিৰ্মাণ কৰা উচিত। **দ্য ছেণ্টিনেল** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে।

**পাৰে পৰি হৰি, ক্ষমা খুজি তত পোৱা নাই ৰেজাউল কৰিমে** শিৰোনামেৰে **অসমীয়া খবৰ** কাকতেও বাতৰিটোক শীৰ্ষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ…।

oooooooo

হকী ইণ্ডিয়াই চলিত বৰ্ষৰ ৮ মাৰ্চৰ পৰা ১৪ মাৰ্চলৈ হায়দৰাবাদত অনুষ্ঠিত হ'বলগীয়া মহিলা ২০২৬ এফ.আই.এইচ হকী বিশ্বকাপ কোৱালিফায়াৰ আয়োজনৰ বাবে তেলেংগানা চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।

এই পদক্ষেপে আন্তঃৰাষ্ট্ৰীয় হকীৰ প্ৰেক্ষাপটত ভাৰতৰ ক্ৰমবৰ্ধমান ভূমিকা আৰু ক্ৰীড়া আয়োজক ৰাজ্য হিচাপে তেলেংগানাৰ উত্থানক প্ৰতিফলিত কৰা বুলি চৰ্চিত হৈছে। মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে মন্তব্য কৰিছে যে , এই পদক্ষেপে ৰাজ্যখনৰ ক্ৰীড়া, মহিলা সবলীকৰণৰ ক্ষেত্ৰত দায়বদ্ধতা আৰু হায়দৰাবাদক বিশ্বব্যাপী ক্ৰীড়াৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ প্ৰতি ৰাজ্যখনৰ সংকল্পকেই প্ৰতিফলিত কৰিছে।

এই প্ৰতিযোগিতাত ভাৰত , ইংলেণ্ড, স্কটলেণ্ড, কোৰিয়া, ইটালী, উৰুগুৱে, বেলজিয়াম আৰু অষ্ট্ৰিয়াকে ধৰি আঠটা দলে অংশগ্ৰহণ কৰিব। শীৰ্ষ দল তিনিটাই ১৫ আগষ্টৰ পৰা ৩০ আগষ্টলৈ বেলজিয়াম তথা নেদাৰলেণ্ডছত হ’বলগীয়া এফ.আই.এইচ হকী বিশ্বকাপ ২০২৬লৈ পোনপটীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ আৰু মেঘালয়ৰ কেতবোৰ স্থানত বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

সমাপ্ত